অধ্যায় ৫ ঃ অসমীয়া ভাষাৰ পদ

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ পদ

৫.৪ পদৰ শ্রেণী বিভাজন ঃ সব্যয় আৰু অব্যয়

৫.৫ বিশেষ্য

৫.৬ বিশেষণ

৫.৭ সর্বনাম

৫.৮ ক্রিয়া

৫.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.১০ অধিক জানিবলৈ

৫.১১ অগ্রগতিৰ খতিয়ান

৫.১২ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- পদ কি, বাক্যৰ গঠনত পদৰ গুৰুত্বৰ বিষয়ে জানিব পাৰিব
- পদৰ শ্রেণীবিভাজন আৰু বিভিন্ন পদৰ গঠন, অর্থ আৰু গুৰুত্ব জানিব পাৰিব।

৫.২ পৰিচয়

আগৰ অধ্যায়টোত অসমীয়া ভাষাৰ বাক্যৰীতি সম্পর্কে অধ্যয়ন কৰিলে। অধ্যায়টিত বাক্যৰীতি মানে কি, বাক্যৰ শ্রেণী বিভাজন, উদ্দেশ্য আৰু বিধেয়, বাক্য, উক্তি আৰু বাক্যত পদৰ ক্রম সম্পর্কে অধ্যয়ন কৰিলে। প্রসংগক্রমে উল্লেখযোগ্য যে, আগৰ অধ্যায়কেইটিত আপুনি মাজে সময়ে 'পদ' শব্দটোৰ পাই আহিছে আৰু সেই বিষয়ে কিছু কথা অৱগত হৈছে। বিশেষকৈ বাক্যৰীতি অধ্যায়টোত পদৰ সামান্য আভাস পাইছে। এই অধ্যায়ত পদৰ বিভিন্ন ৰূপ, গঠন আৰু কার্যৰ আভাস পাব।

৫.৩ পদ

আমি কথা কওঁতে কিছুমান বাক্য কওঁ। বাক্য কিছুমান বিশেষ খণ্ডৰ সমষ্টি। এই খণ্ডবোৰ

আমি কওঁতে মাজত সামান্য বিৰতি (যতি) দি কওঁ আৰু লিখোতে মাজত ফাঁক ৰাখি লিখোঁ। যেনে — 'যতিনে দেউতাকক ক'লে' — বাক্যটোত আমি তিনিটা সুকীয়া খণ্ড দেখিছোঁ— যতিনে/দেউতাকক/ক'লে। এই খণ্ডবোৰেই পদ। অর্থাৎ, বাক্যত ব্যৱহৃত শব্দবোৰেই পদ।

এইখিনিতে, এটা কথা মনত ৰাখিবলগীয়া, শব্দত বিভক্তি যোগ হৈ নাথাকে, কিন্তু পদত সদায় বিভক্তি যোগ হৈ থাকে। শব্দ এটা বিভক্তিযুক্ত হৈ বাক্যত ব্যৱহাৰৰ উপযোগী হ'লেই পদ হয়। ওপৰৰ উদাহৰণটোত— 'যতিন' এটা নামশব্দ, 'যতিন-এ' (যতিনে) এটা পদ, 'দেউতা' এটা নামশব্দ, 'দেউতা-ক-ক' এটা পদ।

কেতিয়াবা, বিভক্তি যোগ নোহোৱাকৈও বাক্যত শব্দ ব্যৱহাৰ হ'ব পাৰে। যেনে — চৰাই উৰে, ৰাম ঘৰত নাই। 'চৰাই' আৰু 'ৰাম'ত কোনো বিভক্তি নাই। কিন্তু 'চৰাই' শব্দই 'উৰে' ক্রিয়াপদ আৰু 'ৰাম' শব্দই 'নাই' ক্রিয়াপদৰ লগত সম্বন্ধ স্থাপন কৰিছে। এনেদৰে বাক্যত প্রতিটো অংশৰ মাজত সংগতি ৰক্ষা কৰি ব্যৱহাৰ হোৱা খণ্ড বা অংশবোৰেই পদ। আনকথাত, বাক্যত ব্যৱহাৰ হোৱা শব্দই পদ।

৫.৪ পদৰ শ্রেণীবিভাজন ঃ অব্যয় আৰু সব্যয়

আগতেই কৈ অহা হৈছে, বাক্যত শব্দ এটা ব্যৱহাৰ হ'লে বিভক্তি যুক্ত হৈ ব্যৱহাৰ হয়। কিছুমান শব্দত কেতিয়াও বিভক্তি লগ নালাগে, ৰূপৰ কোনো সালসলনি নহয় বা কৰিব নোৱাৰি। যেনে — আৰু, যদি, সৈতে, খাতাং, তথাপি, কিন্তু, বা, ইত্যাদি। এনেবোৰ শব্দক অব্যয় শব্দ বোলা হয়। বিভক্তি যোগ নহ'লেও এইবোৰ শব্দ বাক্যত ব্যৱহৃত হৈ আনবোৰ পদৰে সংগতি স্থাপন কৰি অর্থ প্রকাশ কৰিব পাৰে। সেইয়ে এইবোৰ পদ। অর্থাৎ অব্যয় পদ।

যিবোৰ পদত বিভিন্ন সর্গ বা বিভক্তি যোগ হয় আৰু সর্গ বা বিভক্তি অনুসৰি সেইবোৰৰ ৰূপৰ পৰিৱর্তন হয়, সেইবোৰেই সব্যয় পদ। যেনে, 'মানুহ' শব্দত কাৰকৰ বিভক্তি (দ্বিতীয় অধ্যায়ৰ বিভক্তিৰ কথা মনত পেলাওক) যোগ কৰি 'মানুহে', 'মানুহক', 'মানুহৰ' ইত্যাদি ৰূপ পাব পাৰি। একেদৰে, 'মানুহবোৰ', 'মানুহজনী' আদি বচন আৰু লিংগবাচক ৰূপো পাব পাৰি। গতিকে, এইবোৰ সব্যয় পদ।

- **সব্যয় পদৰ শ্রেণীবিভাগ ঃ** গুণ আৰু কার্যৰ ওপৰত ভিত্তি কৰি সব্যয় পদক দুটা ভাগত ভগাব পাৰি — ১) নামপদ ২) ক্রিয়াপদ।

  কোনো বস্তুৰ নাম, গুণ, অৱস্থা, বুজোৱা, ভাব বুজোৱা পদবোৰেই নামপদ। নামপদ তিনি প্রকাৰৰ— ক) বিশেষ্য খ) বিশেষণ গ) সর্বনাম

৫.৫ বিশেষ্য পদ

নাম মাত্রেই বিশেষ্য পদ। অর্থাৎ, প্রাণী-অপ্রাণী, বস্তু, ভাব, বা ধাৰণা প্রকাশ কৰা পদেই বিশেষ্য পদ। যেনে — মানুহ, গৰু, চৰাই, ৰাম, গাই, ঘৰচিৰিকা, পর্বত, হিমালয়, মাটি, সোণ,

গুৱাহাটী, উৰণ, ভোজন, ধান, খেতিয়ক, সাধুতা, দৈন্য, দাৰিদ্ৰ, সৌন্দর্য ইত্যাদি সকলোবোৰেই বিশেষ্য পদ। অসমীয়া ভাষাত বিশেষ্য পদৰ সংখ্যাই সৰহ। সেইবাবে বিশেষ্যপদক কেইবাটাও ভাগত আলোচনা কৰা হয় —

- সংজ্ঞাবাচক বিশেষ্য, যেনে — চৰাই, গৰু, মানুহ, নদী, পর্বত ইত্যাদি
- বিশেষ সংজ্ঞাবাচক বিশেষ্য, যেনে — ঘনচিৰিকা, ৰাম, হৰি, দিখৌ, হিমালয়
- সমষ্টিবাচক বিশেষ্য, যেনে — সভা, সমিতি, পৰিষদ, ৰাইজ, সমাজ ইত্যাদি
- বস্তুবাচক বিশেষ্য, যেনে — মাটি, পানী, সোণ, ৰূপ, বাঁহ, চেনী ইত্যাদি
- গুণবাচক বিশেষ্য, যেনে — সুখ, দুখ, দুষ্টালি, ল'ৰালি, নম্রতা, ভদ্রতা আদি
- সম্বন্ধবাচক বিশেষ্য, যেনে — দেউতা, মা, মামা, পেহা, দাদা আদি
- ক্রিয়াবাচক বিশেষ্য, যেনে — খাৱন, শোৱন, নাচন, খোৱা, পঢ়া আদি

ক্রিয়াবাচক বিশেষ্য ধাতুৰ পৰা গঠন কৰা হয়। ধাতুৰ পিছত -আ, -অন, -ইব, -বা যোগ দি এনে বিশেষ্য পদ সাজিব পাৰি। যেনে —

খা - আ = খোৱা

খা - অন = খাৱন

শুন - ইব = শুনিব

খা - ইব/ব = খাব, আদি

সম্বন্ধবাচক বিশেষ্যবোৰ অসমীয়া ভাষাত বৈশিষ্ট্যপূর্ণ। এইবোৰৰ প্রতিটোৰে বিপৰীত লিংগবাচক ৰূপ পোৱা যায়। যেনে— পেহা - পেহী, মা - দেউতা, দাদা - বাইদেউ, খুড়া - খুড়ী আদি। আনহাতে, বিভক্তি অনুচ্ছেদত (অধ্যায় ২) পাইছে যে এই শব্দবোৰৰ পিছত সম্বন্ধবাচক পুৰুষ বিভক্তি লগ লাগে। যেনে — দেউতা, দেউতাৰে, দেউতাৰা, দেউতাক

৫.৬ বিশেষণ

যি পদে বিশেষ্য, সর্বনাম আৰু ক্রিয়াপদৰ দোষ-গুণ, অৱস্থা, পৰিমাণ, উপাদান, সংখ্যা আদি বুজায়, তাকে বিশেষণ পদ বোলে। যেনে — ভাল ল'ৰা, ৰঙা চোলা, তিতা ঔষধ, বহুত কিতাপ, এবিঘা মাটি, বৰ বেঙা, টিক্‌টিক্‌কৈ ৰঙা, খৰকৈ কৰা, লাহেকৈ কৰা ইত্যাদি। বিশেষণকো তিনি ভাগত ভগাব পাৰি — বিশেষ্য-সর্বনামৰ বিশেষণ, বিশেষণীয় বিশেষণ আৰু ক্রিয়া বিশেষণ

বিশেষ্য আৰু সর্বনামৰ গুণ-দোষ, অৱস্থা, পৰিমাণ আদি প্রকাশ কৰিলে তাক বিশেষ্য-সর্বনামৰ বিশেষণ বুলিব পাৰি। যেনে—

ভাল মানুহ	তেওঁ জ্ঞানী
ৰঙা চোলা	সি শান্ত
বেঙা ল'ৰা	আপুনি উদাৰ
চোকা গৰু	মূর্খ সি, ইত্যাদি

যি বিশেষণে আন বিশেষণ পদৰ দোষ-গুণ, অৱস্থা, পৰিমাণ আদি বুজায়, তাক বিশেষণীয় বিশেষণ বোলা হয়। বিশেষণীয় বিশেষণবোৰ বিশেষণ পদৰ আগত বহে। যেনে -

টিক্‌টিক্‌কৈ ৰঙা চোলা।

কমল বৰ টেঙৰ।

সি বৰ বেগাই আহিল।

উদাহৰণকেইটাৰ প্ৰথমটোত 'ৰঙা' বিশেষণ পদক বিশেষকৈ বুজাইছে 'টিক্‌টিক্‌কৈ' পদে। একেদৰে 'বৰ' বিশেষণীয় বিশেষণে 'টেঙৰ' বিশেষণক বুজাইছে। তৃতীয় উদাহৰণৰ পৰা বুজিব পাৰি বিশেষণীয় বিশেষণবোৰে ক্ৰিয়া-বিশেষণকো বিশেষকৈ বুজাব পাৰে। 'বেগাই' এটা ক্ৰিয়া বিশেষণ।

ক্ৰিয়া পদৰ গুণ, লক্ষণ, অৱস্থা আৰু প্ৰকৃতি বুজাব পৰা বিশেষণবোৰেই ক্ৰিয়া বিশেষণ। যেনে —সোনকালে আহিবা।

খৰকৈ ব'লা

মনে মনে নপঢ়িবা, ইত্যাদি

উদাহৰণ তিনিটাত 'আহিবা', 'ব'লা', 'নপঢ়িবা', ক্ৰিয়া পদ তিনিটাৰ লক্ষণ বুজাইছে ক্ৰমে সোনকালে, খৰকৈ, মনে মনে পদে। গতিকে, এই তিনিটা ক্ৰিয়া বিশেষণ।

ক্ৰিয়া বিশেষণবোৰ ক্ৰিয়া পদৰ ঠিক আগতে বহিব পাৰে, নাইবা ক্ৰিয়া পদৰ আগত থকা পদৰ আগতো বহিব পাৰে। যেনে— বৰকৈ কথা নক'বা। ইয়াত 'নক'বা' ক্ৰিয়া পদ, 'কথা' বিশেষ্য (কৰ্মপদ) পদ।

মন কৰিব, বিশেষণ পদৰ পাছত -এ, -এৰে, -আই, -কৈ যোগ দি ক্ৰিয়া বিশেষণ সাজিব পাৰি। যেনে—

ঘন	—	ঘনে ঘনে
ভাল	—	ভালেৰে
ধীৰ	—	ধীৰকৈ, ইত্যাদি

৫.৭ সৰ্বনাম

বিশেষ্য পদৰ সলনি ব্যৱহাৰ হোৱা পদেই সৰ্বনাম। যেনে— "নোমলক ক'বা, তাক দেউতাকে মাতিছে। তাৰ মাকৰ অসুখ।" বাক্যকেইটাত 'তাক' আৰু 'তাৰ' পদে নোমলৰ কথা বুজাইছে। 'নোমল' এটা বিশেষ্য পদ। বিশেষ্যৰ দৰে সৰ্বনামবোৰতো বচন, লিংগৰ প্ৰত্যয় আৰু কাৰকৰ বিভক্তি যোগ হয়। যেনে— সিহঁত/সিজনী/সিখন

একেদৰে বিভক্তি — তো-ক/তো-ৰ/তো-লৈ

বিশেষ্যৰ সলনি ব্যৱহাৰ হ'লেও সৰ্বনামৰ কিছু নিজা বৈশিষ্ট্য আছে—

- সৰ্বনামবোৰ তিনিওটা পুৰুষত পোৱা যায়—

১ম পুৰুষ ঃ মই, আমি
২য় পুৰুষ ঃ তই (তুচ্চার্থ), তুমি, আপুনি (মান্যার্থ)
৩য় পুৰুষ ঃ সি, তাই আৰু আন সকলো সর্বনাম

- সর্বনামবোৰত কর্তা কাৰকৰ বাহিৰে আন কাৰক বিভক্তি যোগ হওঁতে একোটা তির্যক ৰূপৰ পিছতহে যোগ হয়। যেনে —

১ম পুৰুষ ঃ মই, মই - ত কাৰকৰ বিভক্তি যোগ হ'বলৈ হ'লে মই > মো - লৈ ৰূপান্তৰ হয়। মো - ত বিভক্তি লাগিলে পাম — মোক, মোৰে, মোলৈ, মোৰ, মোত। একেদৰে —

আমি — আমা - (আমাক, আমাৰে, আমালৈ, আমাৰ)
তই — তো -
সি — তা - , ইত্যাদি

- **সর্বনামৰ ভাগ ঃ**
  - ➢ *ব্যক্তিবাচক সর্বনাম ঃ* ব্যক্তি বা প্রাণীবাচক বিশেষ্যৰ সলনি ব্যৱহাৰ হোৱা সর্বনামক ব্যক্তিবাচক সর্বনাম বোলা হয়। যেনে — মই, তুমি, তেওঁ, সি, ই আদি।
  - ➢ *স্থানবাচক সর্বনাম ঃ* কোনো ঠাইৰ নামৰ সলনি ব্যৱহাৰ হোৱা সর্বনামকে স্থানবাচক সর্বনাম বোলা হয়। যেনে — তাত, অ'ত, ত'ত, ক'ত, ইয়াত ইত্যাদি।
  - ➢ *কালবাচক সর্বনাম ঃ* কাল বা সময় বুজোৱা অর্থত ব্যৱহৃত সর্বনাম পদক কালবাচক সর্বনাম বোলে। যেনে — এতিয়া, যেতিয়া, তেতিয়া, কেতিয়া, কালি, পৰহি, কাইলৈ, অথনি ইত্যাদি।

তালিকা ৫.১ ঃ ব্যক্তিবাচক সর্বনামৰ তালিকা

পুৰুষ	একবচন		বহুবচন	
	প্রত্যক্ষ ৰূপ	তির্যক ৰূপ	প্রত্যক্ষ ৰূপ	তির্যক ৰূপ
১ম পুৰুষ	মই	মো -	আমি	আমা -
২য় পুৰুষ	তই	তো -	-	তহঁত -
	তুমি -	তোমা -	-	তোমালোক -
	আপুনি -	আপোনা -	-	আপোনালোক -
৩য় পুৰুষ	সি	তা -	সিহঁত	-
	তাই	-	তাইহঁত -	-
	তেওঁ	-	তেওঁলোক -	-

  - ➢ *বিশেষণৰ সর্বনাম ঃ* বিশেষ্যৰ পৰিমাণ, সংখ্যা, দিশ, ধৰণ আদি বুজাই বিশেষ্যৰ সলনি বহা সর্বনামেই বিশেষণৰ সর্বনাম। যেনে — এই, সেই, সৌ, এনে, তেনে, যেনে, ইমান, সিমান, যিমান, কিমান আদি।
  - ➢ *সাকল্যবাচক সর্বনাম ঃ* 'বহুত' অর্থত প্রাণী বা বস্তুৰ নামৰ সলনি ব্যৱহাৰ হোৱা

সর্বনামবোৰক সাকল্যবাচক সর্বনাম বোলে। যেনে — সকলো, সমূহ, আটাই, সব, উভয়, সদৌ, গোটেই আদি।

➢ *প্রশ্নবোধক সর্বনাম ঃ* প্রশ্ন সুধিবলৈ ব্যৱহাৰ কৰা সর্বনামবোৰক প্রশ্নবোধক সর্বনাম বোলে। যেনে — কি, কিহে আৰু কোন।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সব্যয় পদ মানে কি?

.....

প্রশ্ন নং ২ ঃ ক্রিয়াবাচক বিশেষ্য কেনেদৰে গঠন কৰা হয়?

.....

প্রশ্ন নং ৩ ঃ বিশেষণীয় বিশেষণবোৰ বিশেষণ পদৰ আগত নে পিছত বহে?

.....

প্রশ্ন নং ৪ ঃ সর্বনামবোৰ তিনিওটা পুৰুষত পোৱা যায়নে?

.....

৫.৮ ক্রিয়াপদ

ক্রিয়াপদ সম্পর্কে তৃতীয় অধ্যায়ত ক্রিয়া বিভক্তিৰ আলোচনা প্রসংগত কিছু কথা কৈ অহা হৈছে। আপুনি ক্রিয়া বিভক্তি ভালদৰে বুজিবলৈ ক্রিয়াপদৰ গঠন সম্পর্কীয় এই অনুচ্ছেদটোও ভালদৰে অধ্যয়ন কৰিব লাগিব।

যি পদে কোনো কার্য কৰা বা হোৱা বুজায় তাকে ক্রিয়াপদ বোলে। ক্রিয়াপদ বুজিবলৈ ধাতু, পুৰুষ, ভাৱ — আৰু বাচ্য এইকেইটা কথা ভালদৰে বুজিব লাগিব।

● **ধাতু ঃ** ক্রিয়াপদৰ মূল ধাতু। ধাতুৰ পিছত কালবাচক প্রত্যয় আৰু পুৰুষবাচক বিভক্তিবোৰ যোগ দিহে ক্রিয়াপদ গঠন কৰিব পাৰি। যেনে — কৰ্, ধৰ্, যা, গা, দেখ, ইত্যাদি একোটা ধাতু। ধাতু মূলত দুবিধ — ক) মৌলিক ধাতু আৰু খ) সাধিত ধাতু

➢ *মৌলিক ধাতু ঃ* যিবোৰ ধাতুক অর্থপূর্ণভাৱে ভাঙিব নোৱাৰি, সেইবোৰেই মৌলিক ধাতু। যেনে — কৰ্, দেখ, পঢ়, ওপজ, ইত্যাদি। কৰ্ ধাতুটো 'ক্+ৰ্' কৰিব নোৱাৰি। এনে কৰিলে কোনো অর্থ নাথাকিব।

➢ *সাধিত ধাতু ঃ* মৌলিক ধাতু বা কিছুমান নামশব্দৰ পিছত বিভিন্ন সর্গ (বা প্রত্যয়) যোগ দি যি নতুন ধাতু সৃষ্টি হয়, তাক সাধিত ধাতু বোলে। যেনে — পঢ়+উৱা=পঢ়ুৱা ('পঢ়ুৱা' ধাতুটোৰ পিছত -ইছে যোগ দিলে ক্রিয়াপদ পাম - পঢ়ুৱাইছে।) 'পঢ়' এটা মৌলিক ধাতু। ভুকু+আ=ভুকুৱা ('ভুকুৱা' ধাতুটোৰ পিছত -ইছে যোগ দিলে ভুকুৱাইছে ক্রিয়া পদ পাম।) 'ভুকু' এটা নামশব্দ।

সাধিত ধাতুবোৰ ভাঙি খণ্ডিত কৰিব পাৰি। যেনে — 'পঢ়ুৱা' ধাতুটো ভাঙিলে পঢ়+উৱা এই দুটা খণ্ড পাওঁ।

- **পুৰুষ ঃ** পুৰুষ এটা ব্যাকৰণৰ ভাগ। 'মই', 'আমি' ১ম পুৰুষৰ সর্বনাম। মই, আমি কর্তা হ'লে ক্রিয়াপদটোও প্রথম পুৰুষত ৰূপ হয়। তই, তুমি, তহঁত, তোমালোক কর্তাৰ ঠাইত থাকিলে ক্রিয়াপদটোও দ্বিতীয় পুৰুষত হয়। একেদৰে ই, সি, আপুনি, তাই, ইহঁত, সিহঁত, ৰাম, হৰি আদি সংজ্ঞাবাচক বিশেষ্য পদ কর্তাৰ ঠাইত থাকিলে ক্রিয়াপদটো ৩য় পুৰুষত হয়। যেনে—

১ম পুৰুষ ঃ	মই/আমি	খাওঁ/খাম/খাইছিলো/খালো
২য় পুৰুষ ঃ	তই/তহঁতে	খাৱ/খাবি/খাইছিলি/খালি
	তুমি/তোমালোকে	খোৱা/খাবা/খাইছিলা/খালা
৩য় পুৰুষ ঃ	সি/তাই/সিহঁতে/ৰামে	খায়/খাব/খাইছিলে/খালে

দেখা গ'ল—

১ম পুৰুষৰ ক্রিয়া পদ
- খাওঁ (খা-ওঁ)
- খাম (খা-ম)
- খাইছিলো (খাইছিল-ওঁ)
- খালো (খাল-ওঁ)

২য় পুৰুষৰ ক্রিয়াপদ
- খাৱ (খা-অ), খোৱা (খা-আ)
- খাবি (খাব-ই), খাবা (খাব-আ)
- খাইছিলি (খাইছিল-ই),খাইছিলা (খাইছিল-আ)
- খালি (খাল-ই), খালা (খাল-আ)

৩য় পুৰুষৰ ক্রিয়াপদ
- খায় (খা-এ)
- খাব (খা-ব)
- খাইছিলে (খাইছিল-এ)
- খালে (খাল-এ)

অর্থাৎ, ১ম পুৰুষৰ ক্রিয়াপদত -ওঁ (ভবিষ্যৎ কালত -ম) অপৰিহার্য
২য় পুৰুষৰ ক্রিয়াপদত -অ, -ই, -আ অপৰিহার্য
৩য় পুৰুষৰ ক্রিয়াপদত -এ, (ভবিষ্যত কালত -ব) অপৰিহার্য

-ওঁ, -অ, -ই, -আ, -ম/-ব, -এ এই চিনবোৰ নহ'লে বিভিন্ন কালৰ ক্রিয়াপদ হ'ব নোৱাৰে। এইবোৰক ক্রিয়াবিভক্তি বোলা হয়। ইতিমধ্যে দ্বিতীয় অধ্যায়ত এই বিষয়ে আলোচনা কৰি অহা হৈছে।

- **কাল ঃ** ব্যাকৰণত 'কাল' -এ ক্রিয়াপদে দিয়া সময়ৰ ধাৰণাক বুজায়। কাল মূলতঃ তিনিটা—
  - ক) বর্তমান কাল
  - খ) অতীত কাল বা ভূত কাল
  - গ) ভৱিষ্যত কাল

যিবোৰ ক্রিয়াই কোনো কাম সদায় হোৱা (নিত্য) বা কামটো চলি থকা বুজায় সেয়া বর্তমান কালৰ ক্রিয়া। যেনে — মই খাওঁ — (নিত্য বর্তমান)

মই খাইছোঁ। — (স্বৰূপ বর্তমান)

যি ক্রিয়াই কামটো আগতেই হৈছিল, বা হৈ আছিল বা সম্পূর্ণ হোৱা অর্থ প্রকাশ কৰে, সেইবোৰ অতীত কাল। যেনে —

মই খালোঁ (সাধাৰণ ভূত/অতীত কাল)

মই খাইছিলোঁ (পূর্ণ ভূত কাল/অতীত কাল)

যি ক্রিয়াই কামটো আগলৈ হ'ব অর্থ প্রকাশ কৰে তাক ভবিষ্যৎ কাল বোলে। যেনে — মই খাম, তুমি যাবা, ইত্যাদি

ক্রিয়াৰ কালৰ দুটা ভাব থাকে — ক) অনুজ্ঞা ভাব

খ) নির্দেশক ভাব

(এই বিষয়ে ২য় অধ্যায় চাওক)

গতিকে, অসমীয়াত ক্রিয়াৰ কালৰ পাঁচটা ভাগ পোৱা যায়। সেইকেইটা হ'ল —

- বর্তমান কাল — অনুজ্ঞা ভাব
  - — নির্দেশক ভাব — ১) নিত্য বর্তমান
  - — ২) স্বৰূপ বর্তমান
- অতীত কাল — ৩) সাধাৰণ ভূত
  - ৪) পূর্ণ ভূত
- ভবিষ্যৎ কাল — ৫) ভবিষ্যৎ কাল

মন কৰিব, স্বৰূপ ভূত কালত ধাতুৰ পিছত ইছ্ কালবাচক সর্গ লগ লাগে। যেনে—

খা-ইছ-ওঁ (খাইছোঁ)

দেখ-ইছ-ওঁ (দেখিছোঁ)

সাধাৰণ ভূত কালত ধাতুৰ পিছত -ইল/ল লগ লাগে। যেনে—

খা-ল-ওঁ (খালোঁ)

কৰ-ইল-ওঁ (কৰিলোঁ)

পূর্ণ ভূত কালত ধাতুৰ পিছত ক্রমে -ইছ, -ইল লগ লাগে। যেনে—

খা-ইছ-ইল-ওঁ (খাইছিলোঁ)

কৰ-ইছ-ইল-ওঁ (কৰিছিলোঁ)

ভবিষ্যৎ কালত ধাতুৰ পিছত -ইব, ৰ যোগ হয়। যেনে—

খা-ব-আ (খাবা)

- **ক্রিয়াপদৰ ভাগ ঃ** ক্রিয়াপদক ৰূপ আৰু প্রয়োগৰ ভিত্তিত দুটা ভাগত ভগাব পাৰি — ক) সমাপিকা ক্রিয়া খ) অসমাপিকা ক্রিয়া

- *সমাপিকা ক্রিয়া ঃ* যিবোৰ ক্রিয়াই বাক্য শেষ কৰিব পাৰে সেইবোৰেই সমাপিকা ক্রিয়া। সমাপিকা ক্রিয়াই সাধাৰণতে ক্রিয়াৰ কার্য শেষ হোৱা বুজায়। পূর্বতে আলোচনা কৰা ক্রিয়া বিভক্তিবোৰ সমাপিকা ক্রিয়া পদৰ বাবেহে অপৰিহার্য।
- *অসমাপিকা ক্রিয়া ঃ* অসমাপিকা ক্রিয়াই বাক্য শেষ কৰিব নোৱাৰে। আন ক্রিয়াৰ সহায়তহে অসমাপিকা ক্রিয়াই বাক্য সম্পূর্ণ কৰিব পাৰে। কিন্তু অসমাপিকা ক্রিয়াই কার্য শেষ হোৱা বুজাব পাৰে। যেনে —

  ভাই খাই ঘৰাঘৰি গ'ল।

  অংকটো কৰি ভাত খাবা।

  ইয়াত 'খাই' ক্রিয়াই কামটো শেষ হোৱা বুজাইছে। বাক্য শেষ কৰিব পৰা নাই। ধাতুৰ পিছত '-ই' বিভক্তি সংযোগ কৰিলেও অসমাপিকা ক্রিয়া পোৱা যায়।

- **কেইটামান বৈশিষ্ট্যপূর্ণ ক্রিয়া ঃ**
  - *পাঁচনী ক্রিয়া ঃ* যি ক্রিয়াই আনক পাঁচি বা আনৰ দ্বাৰা কোনো কাম কৰা বুজায় তাক পাঁচনী ক্রিয়া বোলে। যেনে —

    সি ব্যাকৰণ পঢ়ুৱায়। (সি ব্যাকৰণ পঢ়ে)

    মাকে কেঁচুৱাটো শুৱাইছে। (কেচুৱাটো শুইছে)

    ধাতুৰ পাছত -আ বা -ওৱা প্রত্যয় সংযোগ কৰিলে পাচনী ধাতু পাওঁ। যেনে—

    কৰ্ - আ > কৰা

    খা - উৱা > খুউৱা -
  - *সহায়কাৰী ক্রিয়া ঃ* আন এটা ক্রিয়াৰ অর্থক জোৰ দি বুজাবলৈ ব্যৱহাৰ কৰা ক্রিয়াক সহায়কাৰী ক্রিয়া বোলে। যেনে — ল'ৰাটোৱে মিঠাইখিনি খাই পেলালে।

    ঘৰটো বৰ ওখ হৈ পৰিল।

    ইয়াত, 'পেলালে' আৰু 'পৰিল' ক্রিয়া দুটাই 'খাই' (খালে) আৰু 'হৈ' (হ'ল) ক্রিয়া দুটাৰ অর্থকহে সহায় কৰিছে।
  - *অনিয়মিত ক্রিয়া ঃ* কিছুমান ক্রিয়াপদ সকলো কাল আৰু পুৰুষত ৰূপ নহয় অর্থাৎ সকলো কাল আৰু পুৰুষত সেইবোৰৰ ব্যৱহাৰ নহয় বা পৰিবর্তন নহয়। অসমীয়াত অনিয়মিত ক্রিয়া চাৰিটা — নাই, ব'ল, থাক, আছ্ -
    - নাই ঃ কেৱল নিত্য বর্তমান কালতহে সকলো পুৰুষত ব্যৱহাৰ হয়, কিন্তু একে ৰূপতে থাকে। যেনে — মই নাই, তুমি নাই, সি নাই।
    - ব'ল ঃ কেৱল অনুজ্ঞা ভাবত নিত্য বর্তমান কালত ব্যৱহাৰ হয়। যেনে—

      তই ব'ল

      তুমি ব'লা

      আপুনি ব'লক

❍ থাক্ ঃ নিত্য বৰ্তমান, সাধাৰণ ভূত আৰু ভৱিষ্যত কালতহে ব্যৱহাৰ হয়। যেনে—

নিত্য বৰ্তমান — মই/আমি থাকোঁ
তই/তহঁত থাক
তুমি/তোমালোক থাকা
সি/সিহঁত/তাই থাকে

সাধাৰণ ভূত — মই/আমি থাকিলো।
তই/তহঁত থাকিলি।
তুমি/তোমালোক থাকিলা।
সি/সিহঁত/তাই থাকিব।

ভৱিষ্যৎ কাল — মই/আমি থাকিম
তই/তহঁত থাকিবি
তুমি/তোমালোক থাকিবা
সি/সিহঁত/তাই থাকিব।

❍ আছ ঃ ই কেৱল নিত্য বৰ্তমান কাল আৰু পূৰ্ণ ভূত কালত ৰূপ হয়। (উদাহৰণ দিয়া নাই। নিজাকৈ চেষ্টা কৰক)।

➢ *নঞৰ্থক ক্ৰিয়া ঃ* নথকা, নোহোৱা আদি নেতিবাচক অৰ্থ প্ৰকাশ কৰিব পৰা ক্ৰিয়াবোৰক নঞৰ্থক ক্ৰিয়া বোলা হয়। ধাতুৰ আগত ন- যোগ দি নঞৰ্থক ক্ৰিয়া গঠন কৰা হয়। যোগ হোৱাৰ পিছত ন- ৰূপটো ধাতুৰ প্ৰথম স্ৱৰধ্বনি অনুসৰি নে-, না-, নো-, নু-, নি- আদি ৰূপলৈ পৰিৱৰ্তন হয়। যেনে—

ন - খাওঁ = নাখাওঁ
ন - লেখো = নেলেখোঁ
ন - দিওঁ = নিদিওঁ, ইত্যাদি



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ কাল মূলতঃ কেই প্ৰকাৰৰ আৰু কি কি ?

.....

.....

প্ৰশ্ন নং ৬ ঃ সহায়কাৰী ক্ৰিয়া কাক বোলে?

.....

.....



৫.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বাক্যত ব্যৱহাৰ হোৱা শব্দকে পদ বোলে। পদবোৰত সদায় বিভক্তি সংযুক্ত হৈ থাকে। বিভক্তি লগ লাগিলে শূন্য বিভক্তি যোগ হৈ আছে বুলি কল্পনা কৰা হয়।
- বিশেষ্য, বিশেষণ, সর্বনাম — এই তিনিবিধ পদ মূলতঃ একে গুণসম্পন্ন বাবে তিনিওটাক একেলগে নামপদ বোলে।
- সর্বনামবোৰৰ কিছুমান পুৰুষ অনুসৰি ৰূপ হয়। নামপদত কাৰক বিভক্তি লগ লাগে।
- ক্রিয়াপদ বাক্যৰ ঘাই ভাগ। ধাতুৰ পিছত কাল আৰু পুৰুষ অনুসৰি প্রত্যয়-বিভক্তি সংযোগ হৈ সমাপিকা ক্রিয়াপদ গঠন কৰিব পাৰি।



৫.১০ অধিক জানিবলৈ

১) কাকতি, বাণীকান্ত (১৯৯৬); *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ;* (হাজৰিকা, বিশ্বেশ্বৰ অনুঃ); বৰপেটা ঃ বাণীকান্ত কাকতি জন্ম শতবার্ষিকী উদ্‌যাপন সমিতি (প্রথম প্রকাশ ১৯৪১)।

২) গোস্বামী, উপেন্দ্রনাথ (২০০০); *অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ;* গুৱাহাটী ঃ বৰুৱা এজেঞ্চি।

৩) গোস্বামী, উপেন্দ্রনাথ (১৯৯৭); *অসমীয়া ভাষাৰ ব্যাকৰণ;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

৪) গোস্বামী, উপেন্দ্রনাথ (১৯৯৩); *ভাষা-বিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

৫) দত্ত বৰুৱা, ফণীন্দ্র নাৰায়ণ (২০০৬); *আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়;* গুৱাহাটী ঃ বনলতা।

৬) মৱল, ভগৱান (১৯৯৮); *আধুনিক ভাষাবিজ্ঞান;* গুৱাহাটী ঃ পঞ্চজ্যোতি প্রকাশ।

৭) Goswami, G. (1982). *Structure of Assamese.* Guwahati: Gauhati University.



৫.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ যিবোৰ পদত বিভিন্ন সৰ্গ বা বিভক্তি যোগ হয় আৰু সৰ্গ বা বিভক্তি অনুসৰি সেইবোৰৰ ৰূপৰ পৰিৱৰ্তন হয়, সেইবোৰেই সব্যয় পদ।

২ নং প্রশ্নৰ উত্তৰ ঃ ক্রিয়াবাচক বিশেষ্য ধাতুৰ পৰা গঠন কৰা হয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ আগত বহে।

৪ নং প্রশ্নৰ উত্তৰ ঃ যায়।

৫ নং প্রশ্নৰ উত্তৰ ঃ কাল মূলতঃ তিনিটা— (ক) বৰ্তমান কাল, (খ) অতীত কাল বা ভূত কাল আৰু (গ) ভৱিষ্যত কাল।

৬ নং প্রশ্নৰ উত্তৰ ঃ আন এটা ক্রিয়াৰ অৰ্থক জোৰ দি বুজাবলৈ ব্যৱহাৰ কৰা ক্রিয়াক সহায়কাৰী ক্রিয়া বোলে।



৫.১২ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ পদ মানে কি?

প্রশ্ন ২ ঃ নামপদ মানে কি?

চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ বিশেষণ পদ কাক বোলে? বিশেষণ পদৰ ভাগবোৰ আলোচনা কৰক।

প্রশ্ন ২ ঃ √খা্ ধাতুৰ পৰা তিনিটা কালত প্রথম আৰু দ্বিতীয় পুৰুষৰ ক্রিয়াপদ গঠন কৰক।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ অসমীয়া ক্রিয়াপদৰ সম্পর্কে উদাহৰণসহ বহলাই আলোচনা কৰক।

প্রশ্ন ২ ঃ অসমীয়া ভাষাৰ সর্বনাম সম্পর্কে উদাহৰণসহ এটি টোকা প্রস্তুত কৰক।

*** ***** ***